**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2025
**Time :** 1205  Hrs

***Assamese Midday Bulletin***
**--------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰত বিজেপিৰ এখন কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে জিলাখনত দলটোৰ কাৰ্যকৰ্তাসকলক তৃণমূল পৰ্যায়ৰ পৰা দলটোৰ সাংগাঠনিক ভেটি শক্তিশালী কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী অশোক সিংহালৰ লগতে ভালেসংখ্যক জ্যেষ্ঠ নেতা উপস্থিত থাকে।

oooooo

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে অসমৰ শিক্ষা ক্ষেত্ৰৰ উন্নয়নৰ বাবে তিনিটা প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদনত অনুমোদন জনাইছে। মন্ত্ৰালয়ৰ উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ আন্তঃমন্ত্ৰালয় সমিতিৰ ৫৭ সংখ্যক বৈঠকত এই অনুমোদন জনোৱা হয়। এই প্ৰকল্পসমূহৰ বাবে ১২৩ কোটি ৮৪ লাখ টকা ব্যয় কৰা হ'ব। এই প্ৰকল্পসমূহৰ অধীনত ৰাজ্যখনত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতাৰ ক্ষেত্ৰত বিভিন্ন সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

oooooo

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বানৰ সময়ত বিদ্যুৎস্পৃষ্ট হৈ কমেও তিনিজন লোকৰ মৃত্যু হয়। ডিমাপুৰৰ কুডাগাঁৱৰ এটা জলমগ্ন আৰক্ষী আৱাসত কালি এটা ইনভাৰ্টাৰত বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী মহিলাৰ মৃত্যু হয়। ৰাজ্যখনত কেইবাদিনো ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অঞ্চল প্লাৱিত হৈছে আৰু বহু লোকে নিজৰ বাসগৃহ এৰি আন ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আবদ্ধ লোকসকলক সুৰক্ষিত স্থানলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে ভূমিস্খলন আৰু কৃত্ৰিম বানৰ ফলতো সমস্যাৰ সৃষ্টি হৈছে। ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এচোৱা বোকাময় হৈ পৰাৰ ফলত যান-বাহনৰ চলাচলত অসুবিধাৰ সৃষ্টি হৈছে। ডিমাপুৰ বিমান বন্দৰৰ পৰা কালি সকলো বাণিজ্যিক বিমানৰ উৰণ প্ৰতিকূল বতৰৰ বাবে বাতিল কৰা হয়।

oooooo

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ শেষকৃত্য আজি ভূতনাথ শ্মশানত দুপৰীয়াৰ ভাগত সম্পন্ন কৰা হ'ব। ইয়াৰ আগেয়ে কটন বিশ্ববিদ্যালয়ৰ চৌহদত শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি পুৱতি নিশা প্ৰায় ৩ বজাত শিক্ষাবিদগৰাকীৰ দেহাৱসান ঘটে। প্ৰসিদ্ধ বুৰঞ্জীবিদ গৰাকীয়ে শৈক্ষিক ক্ষেত্ৰৰ লগতে নানান সামাজিক কামত সক্ৰিয় ভূমিকা পালন কৰিছিল। তেওঁ ১৯৬৮ চনৰ পৰা ২০০৩ চনলৈ কটন কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিছিল। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা ভৰালীয়ে কিছুদিন পূৰ্বে পৰাগ কুমাৰ দাস সাংবাদিকতা

বঁটাও লাভ কৰিছিল। ২০০৪ চনত অসম সাহিত্য সভাৰ বুৰঞ্জী অধিৰেশন তেওঁ সঞ্চালনা কৰিছিল। ১৯৪৭ চনত মৰাণত জন্মগ্ৰহণ কৰা এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ।

০০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰঙাজান মধ্য ইংৰাজী বিদ্যালয়ত যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। অঞ্চলটোৰ তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা শিবিৰত গীত, নৃত্য, অভিনয়, ব্যক্তিত্ব বিকাশকে ধৰি বিভিন্ন দিশত প্ৰশিক্ষণ দিয়া হয়। হেমন্ত ৰাজ মৰাণ আৰু নয়নী মহন্তই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল কালিৰ পৰা পুনৰ আৰম্ভ হয়। মাইবং-দাওতুহাজা আৰু মুপা-দিহাখুৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বহুকেইখন ৰে'লৰ সময়সূচী সলনি তথা কেইবাখনো ৰে'ল অঞ্চলটোত আবদ্ধ হৈ পৰিছিল। গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গুৱাহাটী-ৰঙিয়া এক্সপ্ৰেছ ৰে'লখন হাতীখালী ষ্টেচনত আৱদ্ধ হৈ পৰিছিল। একেদৰে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ৰে'লখন লামডিং ষ্টেচনত আৰু গুৱাহাটী-দুৰ্লভছৰা এক্সপ্ৰেছ ৰে'লখন লাংটিং ষ্টেচনত আৱদ্ধ হৈ আছিল। আগৰতলা-দেওঘৰ এক্সপ্ৰেছ ৰে'লখনো হাফলং ষ্টেচনত আৱদ্ধ হৈ আছিল। ভূমিস্খলন সংঘটিত হোৱা ৰে'লপথছোৱা মুকলি কৰাৰ পাছতে পুনৰ ৰে'ল চলাচল আৰম্ভ হয়।

০০০০০০

ধুবুৰী জিলাৰ গোলকগঞ্জৰ আগমনিত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হয়। এখন দ্ৰুতবেগী মটৰ চাইকেলৰ খুন্দাত নিহত মহিলাগৰাকী বাতৰি লিখাৰ পৰলৈকে চিনাক্ত কৰিব পৰা হোৱা নাই। এই ঘটনাত মটৰ চাইকেল আৰোহী দুজন গুৰুতৰভাৱে আহত হয়।

০০০০০০

সমাপ্ত